For translation of this speech, visit:-
http://www.atributetosankaradeva.org/bhakti_ratnakarara_adharat_eka_sarana_tattva_trans.pdf

# ভক্তিৰত্নাকৰৰ আধাৰত একশৰণ তত্ত্ব

সংস্কৃত ভাষাত সংকলন কৰা ভক্তি-ৰত্নাকৰ শ্ৰীমন্ত শঙ্কৰদেৱৰ এক মাত্ৰ সংস্কৃত গ্ৰন্থ। শ্ৰীশ্ৰীমাধৱদেৱৰ ''ভক্তি-ৰত্নাৱলী'' গ্ৰন্থৰ শেষৰ ত্ৰয়োদশ বিৰচন ''শৰণ-বিৰচন'' বুলি স্পষ্টকৈ শৰণ-তত্ত্বৰ উল্লেখ কৰাৰ দৰে ভক্তি-ৰত্নাকৰত উল্লেখ নাই আৰু শ্ৰীৰামচৰণ ঠাকুৰদেৱে কৰা অনুবাদ অসমীয়া ভক্তি-ৰত্নাকৰতো একশৰণ-তত্ত্ব স্পষ্ট নহয়। 'শ্ৰীশঙ্কৰ-বাক্যামৃত'ৰ অন্তৰ্গত ''ভক্তি ৰত্নাকৰঃ''তো প্ৰথমমাহাত্ম্যম্, দ্বিতীয়মাহাত্ম্যম্ আদিৰে আৰম্ভণ আৰু সামৰণ কৰিছে।

আনহাতে, ডঃ মহেশ্বৰ নেওগদেৱে সংগ্ৰহ কৰা আৰু পাটিয়ালাৰ পঞ্জাৱী বিশ্ববিদ্যালয়ে ১৯৮২ চনত প্ৰকাশ কৰা ইংৰাজী গ্ৰন্থ "The Bhakti-Ratnakara of Sankardeva and History of the Concept of Bhakti" আৰু অসম সাহিত্য সভাই প্ৰকাশ কৰা শ্ৰীশ্ৰীদামোদৰদেৱৰ কোচবেহাৰত থকা বৈকুণ্ঠপুৰ ধামত অৱস্থান কৰা গোপালচৰণ দ্বিজ বিৰচিত 'কথা ভক্তি- ৰত্নাকৰ'— এই দুয়োখন অমূল্যগ্ৰন্থত একশৰণ-তত্ত্বৰ যথেষ্ট উল্লেখ পোৱা যায়।

ইয়াত ''নিৰ্গুণ-ভক্তি''ৰ শিতান থকা ত্ৰয়োদশ মাহাত্ম্যৰ তিনিটা শ্লোকৰ মাত্ৰ উল্লেখ কৰিলেই শৰণ-তত্ত্বৰ মৰ্ম উপলব্ধ হ'ব।

(১) তস্মাত্ত্বমুদ্ধৱোৎসৃজ্য চোদনাং প্ৰতিচোদনাম্। প্ৰবৃত্তিঞ্চ নিবৃত্তিঞ্চ শ্ৰোতব্যং শ্ৰতমেৱ চ।।

— ভাগ. ১১।১২।১২

কথা ভক্তি-ৰত্নাকৰত (ক.ভ.)— একাদশৰ দ্বাদশ অধ্যায়ত উদ্ধৱৰ প্ৰতি ভগৱন্তে বোলন্ত। হে উদ্ধৱ, যাতো মোৰ ভজনৰ এমন প্ৰভাৱ এতকে বিধি-নিষেধ প্ৰবৃত্তি-নিবৃত্তি যিবা শুনিবাক আছে,যিবা শুনিছা সৱে এৰি সৰ্বান্তৰ্যামী মোত মাত্ৰ কায় বাক্য-মনে একশৰণ লৱা, কিছু ভয় নকৰিবা, সমস্ত ভয়ত হন্তে মঞ ৰাখিম।০।

মামেকমেৱ শৰণমাত্মানং সৰ্ব্ব দেহিনাম্। যাহি সৰ্বাত্মভাৱেন ময়া স্যাঃ হ্যকুতোভয়ঃ।।

— ভাগ. ১১।১২।১৩

ব্যাখ্যা—সৰ্ব দেহিনামাত্মানমিতি একমিতি চ সৰ্বস্য মমেদং সত্ত্বং কথিতম্। ময়ি প্ৰীতে কে ইতৰে নো প্ৰসন্নাঃ সৰ্বাত্মভাৱেন সৰ্বাত্মিকভাৱনায়া। ময়া ঈশ্বৰেণ ৰক্ষকেনাভয়ঃ স্যাঃ ভৱ।

অৰ্থাৎ, কায়-বাক্য-মনে একমাত্ৰ মোত (মামেকমেৱ) শৰণ লোৱা; কাৰণ, সমস্তৰে সন্তুষ্টি; মই ঈশ্বৰ ৰক্ষক থাকোতে তুমি ভয় নকৰিবা, অভয় হোৱা।

(৩) সৰ্ব ধৰ্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ। অহংত্বাং সৰ্ব পাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ।।

— গী. ১৮।৬৬

কথা-ভাগৱতঃ এইমতে সমস্ত গীতাৰ সাৰ উদ্ধাৰি ভগৱন্তে গুহ্যতো কৰি পৰম গুহ্যক কহন্ত, নিজদাস অৰ্জ্জুনৰ আগত। জানা বান্ধৱ, সখি, মোৰ ভক্তিতে সমস্তে হুইব এনয় সুদৃঢ় বিশ্বাস কৰি বিধিৰ কিঙ্কৰ যত ধৰ্ম আছে সৱাকে পৰিত্যাগ কৰি মোত এক শৰণ হৰা। যদি বোলা, এমনে প্ৰৱৰ্ত্তিলে কৰ্মত্যাগ নিমিত্ত পাপ হুইব, ইমত শোক নকৰিবা যাতো তুমি মোত একশৰণ হুয়া আছা, এতেকে সমস্ত পাপত হন্তে মঞি মুকুত কৰিম। ।০।।

*শ্ৰীমদ্ভগৱদ্‌গীতাৰ* ''মামেকংশৰণং'' মোত একশৰণ আৰু *শ্ৰীমদ্ভাগৱত মহাপুৰাণৰ* ''মামেকমেৱ শৰণং'' মোত মাত্ৰ একশৰণ-এই দুয়োটা উক্তি 'ভগৱান স্বয়ং' কৃষ্ণৰ হ'লেও একশৰণৰ কথাই নাই, শৰণ অনুষ্ঠানটোও অসমৰ বাহিৰত প্ৰচলিত নহয়; শৰণ অনুষ্ঠানক কেন্দ্ৰ কৰি গঢ় লোৱা বংশানুক্ৰমিক গুৰু-শিষ্য পৰম্পৰা সত্ৰ নামৰ কোনো অনুষ্ঠান অসমৰ বাহিৰত পোৱা নাযায়।

পঞ্জাৱী বিশ্ববিদ্যালয়ে প্ৰকাশ কৰা ওপৰত উল্লেখ কৰি অহা ভক্তি-ৰত্নাকৰ (*The Bhakti Ratnākara of Śaṅkaradeva and History of the Concept of Bhakti*) আৰু কথা ভক্তি-ৰত্নাকৰ— এই দুয়োখন হুবহু একে, গতিকে কথা-ভক্তি-ৰত্নাকৰকে কেন্দ্ৰ কৰি আমাৰ আলোচনা আৰম্ভ কৰা হৈছে।

প্ৰথম মাহাত্ম্য 'গুৰুসেৱামাহাত্ম্য'। ইয়াত সিদ্ধান্ত দিছে—''কৃষ্ণত একান্তশৰণ হৈয়া গুৰুসেৱাত সংসাৰ নিস্তৰি। গুৰু-সেৱা ছাৰি যাগযোগাদি অন্য কৰ্মে সংসাৰ তৰণ নাই, এইসৱ অৰ্থ নিৰ্ণিত হৈল ভক্তি-ৰত্নাকৰত। '' লগতে গুৰু-সেৱা কাক বোলা হয় এই সম্পৰ্কে গ্ৰন্থকাৰ গোপালচৰণ দ্বিজে কৈছে—''গুৰুৰ উত্তম সেৱা শ্ৰৱণ- কীৰ্ত্তন।''

'নৰ-দেহা-মাহাত্ম্য' নামৰ দ্বিতীয় মাহাত্ম্যত সিদ্ধান্ত দিছে— ''ইমত নৰ দেহ পায়া যাৰাসৱে একশৰণ হৈয়া কৃষ্ণৰ পাদ-পদ্মক নভজে তাৰা অতি নিন্দিত।''

পঞ্চম মাহাত্ম্য 'ভজনীয় পুৰুষোত্তম শ্ৰীকৃষ্ণৰ মাহাত্ম্য'। ইয়াত একশৰণৰ উল্লেখ দুবাৰ কৰিছে— (১) যাতো কাৰণৰো কাৰণ কৃষ্ণ। এতেকে তান্ত ব্যতিৰেকে বস্তু কৰি নাই। এইসৱ বিচাৰে শ্ৰীকৃষ্ণ মাত্ৰ সত্য, আক জানি তান্তে একশৰণ হৈল যাৰা তাৰা অনায়াসে মোক্ষ পাৱে। (২) তান চৰণত একশৰণ হৈয়া সেৱা কৰিল মাত্ৰকে পৰম গতিক পায়, আনমতে নাপায়।

'শ্ৰীকৃষ্ণৰ গুণ-নামাদি শ্ৰৱণ-মহিমা' নামৰ ষষ্ঠ মাহাত্ম্যত সিদ্ধান্ত দিছে— সৰ্বজনে দেখা এইসৱ নিদৰ্শন দ্বাৰে একশৰণ হৈয়া পৰম সুখে কৃষ্ণ কথা শ্ৰৱণ কৰি সংসাৰত হন্তে মুকুত হয় আক ভক্তি-ৰত্নাকৰত নিৰ্ণয় কৰিলোঁ।

'কীৰ্ত্তন-মাহাত্ম্য' নামৰ সপ্তম মাহাত্ম্যত সিদ্ধান্ত দিছে— হে নৰনাৰী লোক, দেখ, ইসৱ আদি ভগৱন্তৰ বচন অনুসাৰে একশৰণ হৈয়া হৰি গুণ নাম-কীৰ্ত্তনত পৰে পৰম ধৰ্ম মহাধৰ্ম মোক্ষদায়ক আৰ আন নাই।

অষ্টম মাহাত্ম্য 'স্মৰণ-মাহাত্ম্য'— এই বচন প্ৰমাণে একশৰণ হৈয়া কৃষ্ণক স্মৰিল মাত্ৰকে সমস্ত পাপক্ষয় হয়— এই মাহাত্ম্যৰ এয়ে সিদ্ধান্ত।

নৱম মাহাত্ম্য 'অৰ্চন-মাহাত্ম্য,' ইয়াৰ ঘোষণা ইত্যাদি বচন অনুসাৰে একশৰণ হৈয়া কৃষ্ণ পূজায়েসে সমস্তৰ পূজা হয়, পৃথকে নহে। আক ভক্তি-ৰত্নাকৰত নিৰ্ণয় কৰিলোঁ।

দশম মাহাত্ম্য 'ভগৱন্তৰ ভক্তিযোগ'ৰ সিদ্ধান্ত-এৱমাদি বচন প্ৰমাণি একশৰণ হৈয়া কৃষ্ণভক্তিয়েসে সংসাৰ তৰিবাক পাৰি যাগ-যোগাদিয়ে পুনু নপাৰি— আক ভক্তি-ৰত্নাকৰত নিৰ্ণয় কৰিলো।

একাদশ মাহাত্ম্য 'উত্তমাভক্তিমাহাত্ম্য'। ইয়াত সিদ্ধান্ত দিয়া হৈছে— এই বচন অনুসাৰে কৃষ্ণত একশৰণ হৈয়া উত্তম ভক্তিয়েসে ভগৱন্তক পায়। আনমতে নাপায়।

'অন্তৰঙ্গাভক্তি-মাহাত্ম্য' দ্বাদশ মাহাত্ম্যত পণ্ডিতৰ সূত্ৰ স্বয়ং ভগৱন্ত কৃষ্ণই ঘোষণা দিছে—জানা উদ্ধৱ, ব্ৰাহ্মণ, চাণ্ডাল জাতিত বিষম। চোৰ দাতা কৰ্মত বিষম। আদিত্য স্ফুলিঙ্গ ৰণত বিষম, শান্ত উগ্ৰ স্বভাৱত বিষম। তথাপি চাৰিওবিধ বিষমত যাৰা মোক মাত্ৰ সমানে দেখে তাৰাক মোৰ মতে পণ্ডিত বুলি।০। পুনৰ বখানিছে—

এইমতে ভগৱন্তৰ বচন প্ৰমাণে এক শৰণ হৈয়া অন্তৰঙ্গতা ভক্তিয়ে ভগৱন্তক পাই আক ভক্তি-ৰত্নাকৰত নিৰ্ণীত কৰিলোঁ।

'নিৰ্গুণ ভক্তি' নামৰ ত্ৰয়োদশ মাহাত্ম্যৰ কথা আৰম্ভণতে উল্লেখ কৰি অহা হৈছে। এই মাহাত্ম্যৰ সিদ্ধান্ত— হে সভাসদ লোক, ভগৱন্তৰ বচনে প্ৰমাণ দেখা, ই সমস্ত বেদৰ সাৰ। আক জানি তান চৰণত এক শৰণ হৈয়া নিৰ্গুণ ভক্তিয়েসে ভগৱন্তক পায়, আন তন্ত্ৰ-মন্ত্ৰ-তীৰ্থস্নানাদিত নাপায়।

'সগুন-নিৰ্গুণ ভেদ' নামৰ পঞ্চদশ মাহাত্ম্যত একশৰণৰ উল্লেখ দুবাৰ কৰা হৈছে ঃ (১) মোত একশৰণ হৈয়া যিজনে কৰ্ম কৰে সিজন নিৰ্গুণ বুলি, যাতো সি অহঙ্কাৰ ৰহিত। (২) এইমানে ভগৱন্তৰ বচন প্ৰমাণে একশৰণ হৈয়া গুণময় ভাৱক এৰি নিৰ্গুণ শ্ৰৱণ কীৰ্ত্তনাদি কৰিলে সংসাৰ ক্লেশ গুছে।

'উত্তম ভক্তিৰ লক্ষণ' নামৰ ষোড়শ মাহাত্ম্যৰ সিদ্ধান্ত— ইসৱ বচন অনুসাৰে একশৰণ হৈয়া সাধাৰণ ভক্তিত মুক্তি সাধে, উত্তম ভক্তিয়ে পুনু কি কহিম আক ভক্তিৰত্নাকৰত নিৰ্ণয় কৰিলোঁ।

সপ্তদশ মাহাত্ম্য 'মধ্যম ভক্ত মাহাত্ম্য'; ইয়াৰ ঘোষণা— এই বচন প্ৰমাণে একশৰণ হৈয়া ভক্তি কৰিলেসে ভগৱন্তক পায়, অন্যথা ৰূপে নাপায়, আক ভক্তি-ৰত্নাকৰত নিৰ্ণয় কৰিলোঁ।

'প্ৰাকৃতভক্ত মাহাত্ম্য' নামৰ অষ্টাদশ মাহাত্ম্যত কোৱা হৈছে ব্যাসৰ প্ৰতি নাৰদৰ বাণী— আৰে নিত্য-নৈমিত্তিক স্বধৰ্মৰ নিষ্ঠাকে অনাদৰি হৰি ভক্তি মাত্ৰ উপদেশ দিয়া এই আশায়ে বোলন্ত। পুনৰ সিদ্ধান্ত দিছে— এৱমাদি বচন অনুসাৰে একশৰণ হৈয়া বিষয়াসক্ত জনো ভক্ত হৈলে মুকুতি পায়, উত্তম ভক্তৰ মহিমা কি কহিম।

ঊনবিংশ মাহাত্ম্য 'অচাৰ-ভ্ৰষ্ট ভক্তৰ মাহাত্ম্যত' কৈছে— একাদশৰ পঞ্চম অধ্যায়ত নিমিৰাজাক প্ৰতি কৰভাজনৰ বচন দেখাই ভক্তসৱে যেমনে বিধিনিষেধত নিৱৰ্ত্তি কৃত্য কৃত্য হয় তাক কহন্ত। হে মহাৰাজা, যাৰা সৱে সমস্ত কৰ্ম এৰি সৰ্বভাৱে মুকুন্দত শৰাণাগত হৈলে, যেৱে অভক্ত মানে পিতৃদেৱাদিৰ ঋণ কিঙ্কৰ হয় তেমনে নহে। এহিমতে যানা দেৱতান্তৰ ভক্তি এৰি হৰি পাদমূলত ভজিল তাৰাৰ বিকৰ্মত প্ৰৱৰ্ত্তন নসম্ভৱে।

বিংশ মাহাত্ম্যত ভগবদ্ ভক্তি প্ৰাৰ্থনাৰ বিষয়ে আলোচনা কৰি শেষত সিদ্ধান্ত দিছে— এই সৱ নিদৰ্শন দ্বাৰে একশৰণ হৈয়া ভগৱন্তক ভক্তি প্ৰাৰ্থিলেসে ভক্তি পায়। যন্ত্ৰ, তন্ত্ৰ, যাগ, যোগাদিয়ে পুনু নপায় আক ভক্তি-ৰত্নাকৰত নিৰ্ণয় কৰিলোঁ।

একবিংশ মাহাত্ম্যত কলিযুগৰ পৰম ধৰ্মৰ নিৰূপণ কৰিছে। ( ক'লেঃ পৰমধৰ্ম নিৰূপণম্) সিদ্ধান্ত সমূহ ঃ সত্যত ধ্যানে, ত্ৰেতাত যজ্ঞে, দ্বাপৰত পূজায়ে যিফল পাৱে কলিযুগে কীৰ্ত্তন মাত্ৰকে তাক লভে।০। এতেকে সংসাৰী জীৱৰ কীৰ্ত্তনৰ পৰে আন পৰম ফল নাই। পুনৰ কৈছে— বৈষ্ণৱানন্দলহৰীতো কৃষ্ণদেৱে বোলন্ত। হে সখে, কলিত নাম বিনে অনপ্ৰকাৰে গতি নাই আক নিশ্চয়ে কহিলো। জানা বান্ধৱ, আৰো বৈষ্ণৱত হন্তেসে ভক্তি পায়, ভক্তিহৈলেসে মোক লভে, এতেকে বিশেষ কৰি কহিলো।

কলিযুগত বৈষ্ণৱেসে বিষ্ণু।০। পুনৰ— শুকদেৱে মহামনে দুঃখে বোলন্ত। হে ৰাজা, যাৰা নামক মনুষ্যমাত্ৰ পৰন্তে, পিছলন্তে, বিৱশ হৈয়াও কীৰ্ত্তন কৰিল-মাত্ৰকে সদ্যে কৰ্মবন্ধ এৰাই পৰম গতিক পাৱে। হা হা হেন প্ৰাণনাথক কলিযুগত মনুষ্যসৱে নভজিব।০। আৰু দেখা, হে বাপ, ব্ৰহ্মাদি যাৰ চৰণক পূজা কৰে, সমস্ত জগতৰ পৰম গুৰু হেন ভগৱন্তক কলিযুগত পাষণ্ডৰ বাক্যে ভিন্ন বুদ্ধি হুয়া লোকে সেৱা নকৰিব।০। এই মাহাত্ম্যৰ শেষ সিদ্ধান্ত— এইসৱ বচন অনুসাৰে একশৰণ হৈয়া কলিকালত হৰি গুণনাম কীৰ্তনেসে ভগৱন্তক পায়, কৰ্ম-ধৰ্মাদিয়ে পুনু নাপায় আক ভক্তি-ৰত্নাকৰত নিৰ্ণয় কৰিলোঁ।

ত্ৰয়োবিংশ মাহাত্ম্যত হৰিভক্তিহীন অজ্ঞানীৰ নিন্দা কৰা হৈছে। কেইটামান সিদ্ধান্ত বিশেষ লক্ষ্য কৰিব লগা

ঃ (১) যাতো বেদবাদে মোহিত হৈয়া আপোনাক পণ্ডিত কৰি মানে, বিচাৰত পুনু মূৰ্খ, তথাপি বেদৰ মধুৰবাদে উৎসুক হৈয়া অজ্ঞানীৰ আগে চতুৰ বচন বোলে।০। (২) বৃহৎনাৰদীৰো বচন দেখা। হে মহীপাল, বিষ্ণুভক্তিবিহীন হৈলে দ্বিজ হৈতেও চাণ্ডালত কৰি অধম, ভক্তচাণ্ডাল দ্বিজতো কৰি উত্তম।(৩) পদ্মপুৰাণতো হৰদেৱে পাৰ্বতীক কহিছা। হে প্ৰিয়ে, অভক্ত ব্ৰাহ্মণ চাণ্ডালতো কৰি অধম জানিবা, বৈষ্ণৱ পুনু বৰ্ণবাহ্য হয় তথাপি তিনিও লোকক পৱিত্ৰ কৰে।

এই প্ৰকাৰে কৃষ্ণত একশৰণ হৈয়া তান ভক্তিয়েসে গতি হয়। আনমতে পুনু নহয়।

চতুৰ্বিংশ মাহাত্ম্যত ভগবৎ ভক্তিদ্বেষীৰ গতি বিষয়ে আলোচনা কৰি সিদ্ধান্ত দিছে— হে নৰ-নাৰীলোক, দেখ ওহি প্ৰকাৰে ভগৱন্তৰ বচন প্ৰমাণে একশৰণ হৈয়া বৈষ্ণৱৰ নিন্দা এৰি ভক্তি কৰিলেসে ভগৱন্তক পায়, অন্যথা নাপায় আক ভক্তি-ৰত্নাকৰত নিৰ্ণয় কৰিলোঁ।

ভক্তৰ অঙ্গপ্ৰশংসা কৰি পঞ্চবিংশ মাহাত্ম্যত সমস্তৱে দৃষ্টি আকৰ্ষণ কৰি ঘোষণা দিছে— এইসৱ বচন অনুসাৰে একশৰণ হুয়া হৰিভক্তি কৰিলেসে জন্ম-কৰ্মাদিৰ ফল আক ভক্তি-ৰত্নাকৰত নিৰ্ণয় কৰিলোঁ।

হৰিভক্তিহীনৰ জন্ম-কৰ্মাদি নিন্দা কৰি সপ্তৱিংশমাহাত্ম্যত কোৱা হৈছে— (১) বৈষ্ণৱানন্দতে কৃষ্ণদেৱে কহন্ত। হে সখে, যদ্যপি মোৰ নামো আছে, গাৱে গাৱে মুখো আছে, তথাপি অজ্ঞানীসৱ ঘোৰ নৰকত পৰে। (২) বৃহৎ-নাৰদীপুৰাণতো নাৰদে বোলন্ত। অহো চিত্ৰ, অহো চিত্ৰ, অহো চিত্ৰ, হৰিনাম থাকন্তেও পুনৰপি সংসাৰতে পৰে। (৩) আৰো ভজন থাকোক সেই সেই ভাগ্যৱন্ত যদি হৰিভক্ত হৈলে তাৰ আন ধৰ্ম নকৰিবাৰ দেখি সেই দুৰ্জনসৱে বেঢ়ি অসূয়া কৰে। হা হা নিশ্চয়ে জানিলো ই পাপীসৱ অধোগতি গৈল। হে নৰনাৰীসৱ, নাৰদৰ দায়াৰ বচন দেখা, আকজানি একশৰণ হৈয়া হৰি ভক্তি কৰা।

অষ্টাৱিংশ অধ্যায়ত বৃথাকথনদোষৰ সমালোচনা কৰি সিদ্ধান্ত দিছে— এৱমাদিবচন অনুসাৰে একশৰণ হৈয়া কুকথা এৰি কৃষ্ণকথা কীৰ্ত্তনেৰে সংসাৰ নিস্তৰি, অন্যথাও নকৰি, আক ভক্তি-ৰত্নাকৰত নিৰ্ণয় কৰিলোঁ।

'অভক্তৰ সঙ্গনিন্দা' নামৰ উনত্ৰিংশ মাহাত্ম্যৰ সিদ্ধান্ত— এইপ্ৰকাৰে একশৰণ হৈয়া বিষ্ণুভক্তসৱ সুখে সংসাৰ নিস্তৰে। 'প্ৰায়শ্চিত্তনিন্দা' বিষয়ে ত্ৰিংশ মাহাত্ম্যৰ সিদ্ধান্ত— ইসৱ বচন অনুসাৰে একশৰণ হৈয়া হৰি ভক্তিসে সমস্ত পাপৰ শ্ৰেষ্ঠ প্ৰায়শ্চিত্ত।

প্ৰবৃত্তিমাৰ্গৰ নিন্দাসূচক একত্ৰিংশমাহাত্ম্যত ঘোষণা দিছে— ''প্ৰবৃত্তিপৰাঃ সন্তো নোত্তমগতিং প্ৰাপ্নুৱন্তি'' অৰ্থাৎ, সন্ত হ'লেও প্ৰবৃত্তিপৰায়ণ লোকৰ উত্তম গতিলাভ নহয়। প্ৰবৃত্তি মাৰ্গ ত্যাগ কৰি একশৰণ হৈ বিষ্ণুক ভজি উত্তম গতি পায়।

'ভাৰতে জন্মলভি যাৰা একশৰণ হৈয়া কৃষ্ণক ভজে তাৰা অনায়াসে সংসাৰ তৰে'— এয়ে ভাৰতভূমি প্ৰশংসা নামৰ ত্ৰয়স্ত্ৰিংশ মাহাত্ম্যৰ সিদ্ধান্ত।

'ভক্তি অধিকাৰীৰ ভক্তিযোগ' চতুস্ত্ৰিংশ মাহাত্ম্য। ইয়াৰ সিদ্ধান্ত— এইসৱ বচন অনুসাৰে একশৰণ হুয়া ভক্তি অধিকাৰীসৱে ভক্তিযোগে সংসাৰ তৰে আক ভক্তিৰত্নাকৰত নিৰ্ণয় কৰিলোঁ।

পঞ্চত্ৰিংশ মাহাত্ম্য 'জ্ঞান-ভক্তিযুক্তবৈৰাগ্য মাহাত্ম্য'। ইয়াৰ সিদ্ধান্ত— এইসৱ বচন অনুসাৰে একশৰণ হৈয়া বৈৰাগ্যবিনেও কেৱল ভক্তিমাত্ৰকে ভগৱন্তক পায়।

'মায়াতৰণোপায়' বিষয়ক ষষ্ঠ ত্ৰিংশমাহাত্ম্যই সিদ্ধান্ত দিছে— এইসৱ ভগৱন্তৰ বচন অনুসাৰে একশৰণ হুয়া ভগৱন্তৰ কৃপায়ে অনায়াসে মায়াক জানেও তৰেও।

'শ্ৰীমদ্ভাগৱতমাহাত্ম্য' সপ্তাত্ৰিংশ মাহাত্মযত গুৰুত্বপূৰ্ণ কেইবাটাও সিদ্ধান্ত পোৱা যায় ঃ (১) আনশাস্ত্ৰসৱ ঋষিলোকে কৰে, এতেকে তাত আশয়, আসক্তি, ভ্ৰান্তি, প্ৰমাদ এই চাৰি দোষ থাকে। আৰু যাতো শ্ৰীনাৰায়ণে আপুনি সংক্ষেপে প্ৰথমে কৰিলা এতেকে আত সি দোষ নাই। (২) সকলে বেদ ভৈল কল্পতৰু বৃক্ষ, তাৰ ফল ভাগৱন্ত। ই পুনু পূৰ্বত বৈকুণ্ঠত আছিল। তেৱে লোকক কৃপায়ে পদ্মকল্পত শ্ৰীনাৰায়ণে ব্ৰহ্মাক দিলন্ত। ব্ৰহ্মায়ে নাৰদত কহিলা, নাৰদে আনি মোক দিলা, ময়ো শুক মুখত নিৱেদিলোঁ। শুকমুখত হন্তে শিষ্য-প্ৰশিষ্যাদিদ্বাৰে অখণ্ডে পৃথিৱীত নামিল। (৩) আত কেৱলে নাম মাত্ৰ প্ৰধান।

এই মাহাত্ম্যৰ শেষত সিদ্ধান্ত দিছে— এইসৱ বচন প্ৰমাণে একশৰণ হুয়া শ্ৰীভাগৱতৰ শ্ৰৱণ ইচ্ছা মাত্ৰকে পৰম সুখে সংসাৰ তৰে। আক ভক্তি-ৰত্নাকৰত নিৰ্ণয় কৰিলোঁ।

''যমনিয়ম'' নামৰ অষ্টাত্ৰিংশ মাহাত্ম্যই ভক্তি-ৰত্নাকৰ গ্ৰন্থৰ সৰ্বশেষ মাহাত্ম্য। ইয়াৰো কিছুমান সিদ্ধান্তৰ প্ৰতি বিশেষ মনোযোগ দিয়া বাঞ্ছনীয়। যেনে— জানা উদ্ধৱ, বন্ধ মোক্ষ জানিলেসে পণ্ডিত, দেহাদিত অহংবুদ্ধি যাৰ সেইসে মূৰ্খ, শাস্ত্ৰ নজানিলে মূৰ্খ নোহে।

ইসৱ বচন অনুসাৰে একশৰণ হৈয়া শম-দম বিভাগ নজানি ভক্তি কৰিলেও সংসাৰ তৰে। বিভাগ জানি কৰিলে কি কৈম।

'মহাপুৰুষ শ্ৰীশঙ্কৰ ঈশ বিৰচিতং ভক্তি-ৰত্নাকৰ গ্ৰন্থ সমাপ্তি ভৈল।
ইদানীক উচ্চ কৰি হৰি বোলা হৰি।।'

এই আলোচনাৰ পৰা প্ৰমাণ হ'ল যে, ভক্তিবাদ তথা একশৰণ চাৰিয়ো বেদৰ সাৰ মহাভাগৱতৰ মূল তত্ত্ব। শ্ৰীমন্তশঙ্কৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱ, শ্ৰীশ্ৰীদামোদৰ দেৱ— এই তিনিও জন মহাপুৰুষৰ ধৰ্ম কৃষ্ণ সূৰ্যই প্ৰকাশ কৰা ''নাম-ধৰ্ম'' তথা ''একশৰণ হৰিনামধৰ্ম''।

''কথা-ভক্তি ৰত্নাকৰ'' বিৰচনকাৰী গোপালচৰণ দ্বিজৰ দুটামান উক্তি দাঙি ধৰা হ'ল— ''মহা অগাধ শাস্ত্ৰ, মহাপুৰুষ শ্ৰীশঙ্কৰ ঈশ্বৰে সংগ্ৰহ কৰিলা। আৰ ৰচনাত বঢ়া-টুটা যি দোষ হৈয়াছে তাক ক্ষমা কৰিবে লাগে। মই মহামূঢ়ে দান্তে তৃণ কৰি প্ৰাৰ্থনা কৰোঁ। যাতো বেহাৰ নগৰত দেখি শ্ৰীদামোদৰ ক্ষেত্ৰত পৰমভাগৱতসৱে শোভিত দেখি সেহিস্থানত বসি গোপালচৰণ নাম মঞি অধমে নিৱন্ধিলোঁ।''